بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আলখামিছ (আইঃ)য়ে
২ জুন ২০২৩ ইং চনত মছজিদ মোবাৰক ইছলামাবাদ লণ্ডন (বৃটেইনত)
প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

## বদৰৰ যুদ্ধত আঁহজৰত (ছাঃ)ৰ ভূমিকা আৰু ঐতিহাসিক ঘটনা সমূহৰ ঈমান বৰ্দ্ধক বৰ্ণনা

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বদৰি চাহাবা সকলৰ জীৱনী আৰু কোৰবাণী সম্পৰ্কে মই ধাৰাবাহিক ভাৱে বৰ্ণনা কৰি আহিছো। কিন্তু বহুলোকে এয়া ইচ্ছা প্ৰকাশ কৰি মৌলৈ লিখিছে যে যদি আঁহজৰত (ছাঃ)ৰ জীৱনী বৰ্ণনা কৰা নহয় তেন্তে ইয়াতে এটা অভাৱ ৰৈ থাকিব। কাৰণ আঁচল কেন্দ্ৰ বিন্দু আছিল আঁহজৰত (ছাঃ)ৰ সত্তা যাৰ চাৰিওকাষে চাহাবা সকলে পৰিভ্ৰমণ কৰিছিল, যাৰ লগত সংলগ্ন হৈ চাহাবা সকলে কোৰবাণী আগবঢ়োৱাৰ দৃষ্টান্ত বিহীন মানদণ্ড অৰ্জন কৰিছিল। তাতে তেওঁলোকে নতুন নতুন নীতি কৌশল আদি শিকিছিল আৰু তৌহিদ প্ৰচাৰ কৰাৰ আৰু নিজে নিজে এটা দৃষ্টান্ত স্থাপন কৰাৰ সেই মান অৰ্জন কৰিছিল, যিটো আঁহজৰত (ছাঃ)ৰ আধ্যাত্মিক শক্তি আৰু আল্লাহ তা'লাৰ বিশেষ প্ৰিয় হোৱাৰ প্ৰমাণ। গতিকে আঁহজৰত (ছাঃ)ৰ জীৱনী সম্পৰ্কে বৰ্ণনা কৰাৰ প্ৰয়োজন আছে।

আঁহজৰত (ছাঃ)ৰ জীৱনীৰ বিভিন্ন দিশ সম্পৰ্কে কিছুমান আগৰে পৰাই খোতবাৰ মাজত বৰ্ণনা কৰি অহা হৈছে। কিন্তু আঁহজৰত (ছাঃ)ৰ জীৱনী এনেকুৱা বিশ্লেষণাত্মক যাক সীমাবদ্ধ কৰিব পৰা নাযায়। তেখেত (ছাঃ)ৰ এটা এটা গুণাৱলী এনেকুৱা যে যাৰ বৰ্ণনা কেইবাটাও খোতবাত বৰ্ণনা কৰিলেও শেষ নহয়। তেখেত (ছাঃ)ৰ জীৱনী ইনশা আল্লাহ মাজে সময়ে বৰ্ণনা কৰা হ'ব। বৰং প্ৰত্যেক খোতবাৰ মাজতেই বা মোৰ ভাষণৰ মাজতে কোনো নহয় কোনো এটা বিষয় কিবা নহয় কিবা প্ৰকাৰে বৰ্ণনা কৰা হৈ থাকে কাৰণ এয়াই আমালোকৰ ধৰ্ম

আমাৰ ঈমান সম্পূৰ্ণ হ'ব নোৱাৰে। লগতে আল্লাহ তা'লাৰ প্ৰেৰিত চৰিয়তৰ ওপৰত পৰিপূৰ্ণ ভাৱে আমল কৰাও নহয়। যিয়েই নহওঁক এতিয়া মই বদৰৰ যুদ্ধৰ ঘটনা হাঙুৰি লৈ তেখেত (ছাঃ)ৰ জীৱনী আৰু ঐতিহাসিক ঘটনা সমূহ বৰ্ণনা কৰিম আৰু ইয়াৰ ধাৰাবাহিকতা আগৰ কিছুমান খোতবাত চলি থাকিব।

তেখেত (ছাঃ)ৰ জীৱনাদৰ্শই আছিল, যিয়ে চাহাবা সকলক অকুণ্ঠ ভাৱে কোৰবাণী আগবঢ়োৱাৰ প্ৰেৰণা যোগাইছিল আৰু এই প্ৰেৰণা জগাই গাজী, শ্বহীদ আৰু আল্লাহ তা'লাৰ প্ৰিয় বান্দাৰ মাজত তেওঁলোকক চামিল কৰিছে আৰু সেই দৃষ্টান্তবোৰ আজিও আমি দেখিবলৈ পাই আছো। গতিকে এই যুদ্ধত প্ৰকাশ পোৱা তেখেত (ছাঃ)ৰ আদৰ্শ সমূহ বৰ্ণনা কৰাৰ প্ৰয়োজন আছে। যুদ্ধৰ ঘটনা সমূহ বৰ্ণনা কৰাৰ আগতে সেই কাৰক সমূহ বৰ্ণনা কৰা আৱশ্যক, যাৰ কাৰণে  এই যুদ্ধ সংগঠিত হৈছিল। গতিকে আগতে মই যুদ্ধৰ প্ৰাককালীন ঘটনা বিলাক বৰ্ণনা কৰিম। সেই প্ৰাককালীন দৃশ্য বোৰতেই তেখেত (ছাঃ)ৰ জীৱনী  আৰু তেখেত (ছাঃ)য়ে লৈ অনা সুন্দৰ শিক্ষাৰ বিভিন্ন অংশ প্ৰকাশ পাই যাব।

বদৰৰ যুদ্ধৰ মূল কাৰণ সম্পৰ্কে বৰ্ণনা কৰোঁতে হজত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবীঈন পুস্তকত লিখিছে যে মক্কাৰ কাফিৰ সকলে ইছলাম আৰু মুছলমান সকলৰ বিৰুদ্ধে যি আচৰণ আৰু ষড়যন্ত্ৰ আৰম্ভ কৰিছিল,সেয়া যিকোনো সময়তে যিকোনো অঞ্চলতে দুটা সম্প্ৰদায়ৰ মাজত যুদ্ধ সংগঠিত হোৱাৰ কাৰণ হ'ব পাৰে। খোদা তা'লাৰ ইবাদত কৰাৰ আৰু তৌহিদৰ ঘোষণা কৰাৰ পৰা বলপূৰ্বক ভাৱে আঁতৰই ৰাখিবলৈ চেষ্টা কৰিছিল। মুছলমান সকলক কাফিৰ সকলে অন্যায় ভাৱে মাৰপিট কৰিছিল, ধনমাল লুটি লৈ গৈছিল আকৌ কিছুমানক হত্যা কৰিছিল। মুছলমান মহিলা সকলক অপমান,অপদস্থ কৰিছিল। ইয়াৰ ওপৰি যেতিয়া কিছুমান মুছলমানে হাবশালৈ হিজৰত কৰিছিল,তেতিয়া কাফিৰ সকলে সেই মুছলমান সকলক ওভতাই আনিবলৈ নজাশি বাদছাহৰ দৰবাৰ পৰ্যন্ত পিছে পিছে গৈছিল। মুছলমান সকলৰ চৰদাৰ অৰ্থাৎ আঁহজৰত (ছাঃ)ক বিভিন্ন প্ৰকাৰে জুলুম অত্যাচাৰ কৰিছিল। তায়েফ চহৰত শিলগুটি দলিয়াই দলিয়াই ঘাইল কৰি পেলাইছিল। অৱশেষত কাফিৰ সকলৰ সকলো চেষ্টা ব্যৰ্থ হোৱাৰ পিছত মক্কাৰ পাৰ্লিমানত তেওঁলোকৰ সকলো চৰদাৰে একগোট হৈ সিদ্ধান্ত লয় যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ক হত্যা কৰি পেলোৱা হওঁক। এই ষড়যন্ত্ৰ মূলক হত্যাকাণ্ড সংগঠিত কৰিবলৈ মক্কাৰ কিছুমান ডেকায় ৰাতিৰ বেলিকা আঁহজৰত (ছাঃ)ৰ ঘৰত আক্ৰমণ চলায়। কিন্তু খোদা তা'লাৰ কৃপাত তেওঁলোকে আঁহজৰত (ছাঃ)ক হত্যা কৰিবলৈ সক্ষম নহয়। তেখেত (ছাঃ)য়ে নিৰাপদে প্ৰাণ বচাই ঘৰৰ পৰা ওলাই ছুৰ নামক গুহাত আশ্ৰয় লয়। কিয়; এই সকলোবোৰ পৰিকল্পনা আৰু হত্যাৰ ষড়যন্ত্ৰ মক্কাৰ কাফিৰ সকলৰ ফালৰ পৰা এক যুদ্ধৰ ঘোষণা বুলি ক'ব নোৱাৰি নে ? কিয় ? কুৰাইছ সকলৰ এই জুলুম,অত্যাচাৰ, মুছলমান সকলৰ ফালৰ পৰা প্ৰতিৰক্ষামূলক যুদ্ধৰ ভিত্তি বুনিয়াদ হ'ব নোৱাৰে নে ? কিয় ? জগতত কোনো আত্মসন্মান থকা সম্প্ৰদায়ে এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হৈ ধৈৰ্য অটুট ৰাখিব পাৰিব নে যি পৰিস্থিতি কাফিৰ সকলে সৃষ্টি কৰি মুছলমান সকলক কষ্ট দিছিল ? যদি মুছলমান সকলৰ পৰিবৰ্তে অইন কোনো সম্প্ৰদায় হ'লহেঁতেন তেন্তে তেওঁলোকে বহুত আগতেই কাফিৰ সকলৰ বিৰুদ্ধে যুদ্ধত নামি গ'লহেঁতেন। কিন্তু মুছলমান সকলক তেওঁলোকৰ আকা-ও মাওলা আঁহজৰত (ছাঃ)ৰ ফালৰ পৰা যুদ্ধৰ আদেশ দিয়া হোৱা নাছিল।

মক্কাত যেতিয়া কিছুমান চাহাবাই কাফিৰ সকলৰ অত্যাচাৰৰ প্ৰত্যুত্তৰ দিবলৈ অনুমতি বিচাৰে তেতিয়া তেখেত (ছাঃ)য়ে মানা কৰি কয় যে মোক মাত্ৰ ক্ষমা কৰি দিবলৈহে আদেশ দিয়া হৈছে।

এনেদৰে জুলুম অত্যাচাৰ সহ্য কৰোঁতে কৰোঁতে যুগ পাৰ হৈ যায় আৰু মুছলমান সকলে মক্কাৰ পৰা

বেদখল হৈ পৰে। ইয়াৰ পিছতহে খোদা তা'লা মুছলমান সকলক প্ৰতিৰক্ষামূলক যুদ্ধ কৰিবলৈ অনুমতি প্ৰদান কৰে। গতিকে আঁহজৰত (ছাঃ)ৰ হিজৰত কুৰাইছ সকলৰ অত্যাচাৰ বলি হোৱাৰ চিহ্ন আৰু ইয়াৰ মাজত খোদা তা'লাৰ ফালৰ পৰা যুদ্ধ ঘোষণাৰ এটা গোপন ইঙ্গিত লুকাই আছিল। সেই ইংগিত কাফিৰ আৰু মুছলমান দুয়ো দলেই বুজি পাইছিল। পৰিতাপৰ বিষয় হ'ল যে যদি অত্যাচাৰী কুৰাইছ সকলে সেই ৰহস্যময় ইঙ্গিত বুজি লৈ পিছুৱাই গ'লহেঁতেন আৰু ধৰ্মৰ ক্ষেত্ৰত বল প্ৰয়োগ কৰাটো বাদ দিলেহেঁতেন আৰু মুছলমান সকলক শান্তিৰে জীৱন-যাপন কৰিবলৈ দিলেহেঁতেন তেন্তে নিশ্চয় সিহঁতক তেতিয়া ক্ষমা কৰি দিয়া হ'লহেঁতেন। কিন্তু ভাগ্য লিখন নাযায় খণ্ডন, আঁহজৰত (ছাঃ)ৰ হিজৰতে জ্বলা জুইত ঘি ঢালিলে। আঁহজৰত (ছাঃ)ৰ হিজৰতৰ লগে লগে কাফিৰ সকলে তেখেত (ছাঃ)ৰ পিছানুসৰণ কৰি বিচাৰি গৈ গৈ ছুৰ গুহাৰ দুৱাৰ মুখত উপস্থিত হ'ল। আল্লাহ তা'লা সেই বিপদ কালত আঁহজৰত (ছাঃ)ক বিশেষ কৃপালু হাত আগবঢ়াই দিলে আৰু কুৰাইছৰ চকুত পৰ্দা আঁৰি দিলে। কুৰাইছ সকলে ..বাট পৰিহাৰ নকৰিলে আৰু আঁহজৰত (ছাঃ)ক ধৰি আনোতালৈ এশ ৰঙা উট পুৰস্কাৰ দিয়াৰ কথা ঘোষণা কৰিলে। সেয়া দেখি ২০ জনমান কুৰাইছ ডেকায় আঁহজৰত (ছাঃ)ক বিচাৰি উলিয়াবলৈ যাত্ৰা কৰিলে। কিন্তু কুৰাইছ সকলে তাতেও অসফল হৈ থাকিল।

এনেদৰে আঁহজৰত (ছাঃ)য়ে যেতিয়া মদিনা গৈ পালে তেতিয়া কুৰাইছ সকলে মদিনাৰ ৰায়েছ আব্দুল্লাহ বিন আবি ছলুল আৰু তাৰ লগৰীয়া সকললৈ ধমকি দি লিখিছিল যে তোমালোকে আমাৰ লগৰীয়াক আশ্ৰয় দিছা। আমি খোদাৰ শপত লৈ কৈছো যে হয় তোমালোকে তাৰ লগত যুদ্ধ কৰা; নতুবা তাক তাৰে পৰা খেদি দিয়া; নহলে আমি সকলোৰে মিলি তোমালোকৰ ওপৰত আক্ৰমণ চলাম আৰু তোমালোকৰ যুদ্ধা সকলক হত্যা কৰিম আৰু তোমালোকৰ মহিলা সকলক নিজৰ অধীন কৰি ল'ম। যেতিয়া এই পত্ৰ গৈ আব্দুল্লাহ বিন আবি ছলুলৰ আৰু তাৰ লগৰীয়া সকলৰ হাতত পৰে তেতিয়া তেওঁলোকে নবী কৰিম (ছাঃ)ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হৈ গৈছিল। যেতিয়া নবী কৰিম (ছাঃ)য়ে এই সুসংবাদ পায় তেতিয়া তেখেত (ছাঃ)য়ে গৈ আব্দুল্লাহ আৰু তেওঁৰ লগৰীয়া সকলৰ লগ ধৰে আৰু বুজাই পৰাই যুদ্ধৰ পৰা বিৰত ৰাখে।

এনেদৰে মক্কাৰ কুৰাইছ সকলে বৰ সুসংগঠিত ভাৱে আৰবৰ বিভিন্ন কবিলা বিলাকক মুছলমান সকলৰ বিৰুদ্ধে উচটনি দি যুদ্ধলৈ আহ্বান জনায়। যাৰ ফলত আৰবৰ বাসিন্দা সকলে মদিনাৰ লোক সকলৰ শত্ৰু হৈ পৰে আৰু এনেকুৰা পৰিস্থিতিৰ উদ্ভৱ হয় যে মদিনাৰ চাৰিওফালে যেনিবা যুদ্ধৰ বিভিষিকা কৰি আছে।

এনেকি মদিনাৰ ভিতৰতও এনকুৰা পৰিস্থিতি দেখা দিছিল। খজৰজ আৰু আউচ গোত্ৰৰ অধিকাংশ লোক শিৰিকত লিপ্ত আছিল। তেওঁলোকে পৰোক্ষ ভাৱে নিজৰ ভাই বন্ধুৰ সৈতে মিলি জুলি থাকিছিল। এনেকুৰা অৱস্থাত মুছলমান সকলে এজন মুশৰিকৰ ওপৰত কোনো ভৰসা কৰিব পৰা নাছিল। আকৌ আনফালে আছিল মুনাফিক সকল, যিসকলে আচলতে পৰ্দাৰ আঁৰত ইছলামৰ শত্ৰু হৈ আছিল। তৃতীয়তে আছিল ইহুদী সকল এওঁলোকৰ লগত যদিও সন্ধি সম্পন্ন হৈছিল তথাপি ভয় আছিল কাৰণ ইহুদী সকলে চুক্তি কৰাত একো কুণ্ঠাবোধ কৰা নাছিল। যিয়েই নহওঁক সেই সময়ত মদিনাৰ ভিতৰত মুছলমান সকলৰ বিৰুদ্ধে গোপনে গোপনে বাৰুধৰ জুই জ্বলিবলৈ আৰম্ভ কৰিছিল। আৰবৰ সকলো কবিলাৰ একত্ৰিত শক্তিয়ে জোকাৰণি দিলে মদিনাৰ মুছলমান নিচিহ্ন হ'বলৈ সময় নালাগিলহেঁতেন। ইয়াতকৈ বেছি সংকটময় অৱস্থা মুছলমান সকলৰ খোদা তা'লাৰ ওহী নাযিল হয় আৰু তৰোৱালৰ যুদ্ধৰ আদেশ অৱতীৰ্ণ হয়। তৰোৱালৰ যুদ্ধ সম্পৰ্কে সৰ্ব প্ৰথম আয়াত চফৰ মাহৰ ১২ তাৰিখ ২ হিজৰী চনত নাযিল হৈছিল। তেতিয়া আঁহজৰত (ছাঃ)য়ে মদিনালৈ অহাৰ প্ৰায় এবছৰ মান পাৰ হৈছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বৰ্ণনা খিনি হজৰত মিৰ্জা বশিৰ আহমদ চাহাব

(ৰাঃ)ৰ অনুসন্ধানী বৰ্ণনাৰ অংশ। কিছুমানৰ মতে এই আয়াত হিজৰতৰ কিছু পিছতেই নাযিল হৈছিল। কাৰণ হিজৰতৰ লগে লগেই আঁহজৰত (ছাঃ)য়ে মক্কাৰ কাফিৰ সকলৰ কিছুমান দলক বাধা দিবলৈ ইফালৰ পৰা ৰণুৱা দল প্ৰেৰণ কৰিছিল।

ছুৰা হজ্বৰ দ্বাৰা দুটা আয়াত য'ত তৰোৱালৰ যুদ্ধৰ অনুমতি প্ৰথমবাৰ লিপিবদ্ধ কৰিছে। আল্লা তা'লা কৈছে যে সেই লোক সকলক যিসকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলগীয়া হৈ আছে, যুদ্ধৰ অনুমতি দিয়া হ'ল কাৰণ তেওঁলোকে ইহঁতৰ ওপৰত অন্যায় ভাৱে জুলুম কৰি আছে। নিশ্চয় আল্লাহ তা'লা এওঁলোকৰ প্ৰতি সহায় আগবঢ়োৱাৰ পূৰ্ণ কুদৰত ৰাখিছে। অৰ্থাৎ সেই লোক সকল যিসকলক নিজৰ ঘৰৰ পৰা অন্যায় ভাৱে উলিয়াই দিয়া হৈছে, এই কাৰণেই যে সিহঁতে কয় আল্লাহ আমাৰ সৃষ্টি কৰ্তা। যদি আল্লাহ তা'লাৰ ফালৰ পৰা লোকক ইজনৰ বিৰুদ্ধে সিজনক যোৱাটো প্ৰতিৰোধ কৰা নহলহেঁতেন তেন্তে ৰাহিব খানা,গীৰ্জা,ইহুদীৰ মাবুদ আৰু পেলোৱা হলহেঁতেন। হুজুৰ আল্লাহ তা'লাৰ নাম লোৱা হয়, ধংস কৰি পেলোৱা হলহেঁতেন। হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াতে সকলো ধৰ্মৰ উপাসনালয়ৰ নামলৈ তাৰ হিফাজতৰ কথা কোৱা হৈছে।

জিহাদ ফৰজ হোৱাৰ পিছত আঁহজৰত (ছাঃ)য়ে কাফিৰ সকলৰ চয়তানিৰ পৰা মুছলমান সকলক নিৰাপদে ৰাখিবলৈ প্ৰথমে চাৰিটা উপায় অৱলম্বন কৰিছিল। প্ৰথমে তেখেত (ছাঃ)য়ে নিজে মদিনাৰ চাৰিওফালে থকা সম্প্ৰদায় বিলাকৰ ওচৰত গৈ চুক্তি সম্পন্ন কৰিছিল। দ্বিতীয়তে তেখেত (ছাঃ)য়ে সৰু সৰু বাৰ্তা সংগ্ৰহকাৰী দল গঠন কৰি মদিনাৰ বাহিৰলৈ পঠিয়াই দিছিল। তৃতীয়তে এই দলবিলাকৰ লগত দুৰ্বল মুছলমান সকলে মদিনালৈ অহাৰ সুবিধা কৰি দিছিল। চতুৰ্থতে আঁহজৰত (ছাঃ)য়ে কাফিৰে মক্কাৰ বণিক দল বোৰক শ্বামলৈ অহা যোৱা কৰাৰ  বাটত মদিনাৰ কাষত বাধা প্ৰধান কৰিবলৈ আৰম্ভ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই বৰ্ণনাৰ ধাৰাবাহিকতা আগলৈ চলিব বুলি উল্লেখ কৰি তলত উল্লেখিত চাৰিজন মৰহুমৰ বিষয়ে চমু বিৱৰণ আগবঢ়াই, তেওঁলোকৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। প্ৰথমে জন মৰহুম মকৰম খোৱাজা মনিৰ উদ্দিন কমৰ চাহাব ইউ,কে মৰহুমৰ জানাজা উপস্থিত আছে। দ্বিতীয়েত মকৰম ডাক্টৰ মিৰ্জা মবাশ্বিৰ আৰু মকৰম ডাক্টৰ মিৰ্জা মনোৱাৰ আহমদ চাহাবৰ পুত্ৰ আছিল। এখেত ৭৯ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। এখেত ওয়াকফে জিন্দগী আছিল আৰু ফজলে উমৰ চিকিৎসালয়ত ৰাৱোৱা প্ৰায় ৫০ বছৰ কাল খিদমত প্ৰদানৰ সুযোগ পাইছিল। ১৯৮৩ চনৰ পৰা মৃত্যুৰ সময়লৈকে ওয়াকফে জাদিদ বোৰ্ডৰ সদস্য আছিল। মৰহুম দৰিদ্ৰতাৰ জীৱন কটাই আৰু খিলাফতৰ সৈতে অটুট সম্পৰ্ক ৰাখি দয়াৰ আচৰণ প্ৰদৰ্শন কৰি আৰু নিস্বাৰ্থ ভাৱে মানুহৰ চিকিৎসা সেৱা আগবঢ়াই ইহজগত এৰিলে। মৰহুম নিজামে জামাতৰ বৰ অনুগত আছিল আৰু সজ পৰায়ণ লোক আছিল। তৃতীয়জন মৰহুম মকৰমা ছৈয়দা আমতুল বাছিদ চাহিবা পত্নী ছৈয়দ মেহমুদ আহমদ চাহাব (ইছলামাবাদ পাকিস্তান)। চতুৰ্থ জন মকৰম শ্বৰীফ আহমদ বাম্বিছা চাহাব (আধুয়ালি) জিলা ফয়চলাবাদ, আল্লাহ তা'লা সকলো মৰহুমিনৰ মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 2 JUNE 2023

BOOK POST (PRINTED MATTER

TO ,

....................................................................................................................................

....................................................................................................................................

....................................................................................................................................

From:-Ahmadiyya Circle Office Abhayapuri M.G. Road w/n -IV, Bongaigaon Assam 783384
#6000032598, 9707110844